Regional News Unit
All India Radio, Guwahati
0000000000

Date : 30-08-2024 Time : 1845 Hrs.

*Assamese Evening Bulletin*

Headlines

১। অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ পঞ্চমদিনা দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪ কে ধৰি কেইবাখনো বিধেয়ক উত্থাপন। জুম্মা নামাজ বিৰতি ৰদ কৰাৰ বিষয়েও সিদ্ধান্ত গ্ৰহণ।

২। ৱাধৱন বন্দৰে সময় আৰু ব্যয় হ্ৰাস কৰি আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে পোনপটীয়া যোগাযোগ সূচল কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বন্দৰটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মন্তব্য।

৩। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ চিৰাং জিলাত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ তৈলভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন। কোকৰাঝাৰৰ পৰা ভূটানক সংযোগ কৰি এটা নতুন ৰে'লৰে প্ৰকল্প আৰম্ভ কৰা হ'ব বুলি শ্ৰী মুৰুগানৰ ঘোষণা।

৪। প'বা সংৰক্ষিত বনাঞ্চলক শীঘ্ৰেই বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়া হ'ব বুলি বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ বিধানসভাত মন্তব্য।

আৰু

৫। পেৰিছ পেৰালিম্পিকৰ দ্বিতীয় দিনা এটা স্বৰ্ণপদকসহ চাৰিটা পদক লাভেৰে ভাৰতৰ পদক তালিকাত নাম অন্তৰ্ভুক্তি।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে মহাৰাষ্ট্ৰৰ পালঘৰত নিৰ্মাণ হ'বলগীয়া ৱাধৱন বন্দৰ হৈছে এটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্প। এই বন্দৰে দেশৰ উন্নয়নত অৰিহণা যোগাব বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বন্দৰৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে আজি উদ্বোধন হোৱা দেশৰ সৰ্ববৃহৎ গভীৰ পানীৰ বন্দৰে প্ৰগতিৰ শক্তিকেন্দ্ৰ হিচাপে মহাৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাক পুনৰ নিশ্চিত কৰিব। এই প্ৰকল্পই ভাৰতৰ সামুদ্ৰিক শক্তি বৃদ্ধি কৰাৰ লগতে গোলকীয় বাণিজ্যৰো প্ৰসাৰ সাধন কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰায় ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ৱাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰে। এই বন্দৰটো দেশৰ অন্যতম বৃহৎ গভীৰ পানীৰ বন্দৰ হোৱাৰ লগতে এই বন্দৰে জল পৰিবহণৰ সময় আৰু ব্যয় হ্ৰাস কৰি আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে পোনপটীয়াকৈ যোগাযোগ স্থাপন কৰিব।

0000000

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি চিৰাং জিলাৰ পশ্চিম শিলপাতা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰটোৰ শিশুসকলৰ মাতৃসকলৰ সৈতে বাৰ্তালাপ কৰে। ড০ মুৰুগানে কেন্দ্ৰীয়

চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে কাজলগাঁৱত সমাজ কল্যাণ বিভাগৰ মহিলা পৰামৰ্শদাতা কেন্দ্ৰটো পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰণগৌড়া নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, বি টি চিৰ কাৰ্যবাহী সদস্য গৌতম দাস আৰু চিৰাঙৰ জিলা আয়ুক্তই অনুষ্ঠানত অংশ লয়। ইয়াৰ পাছত তেওঁ জিলাখনৰ দাংতল খাগ্ৰাবাৰীত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ তৈলভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই নিৰ্মাণৰত তৈল ভাণ্ডাৰে বি টি চিৰ আৰ্থ-সামাজিক দিশত বিশেষভাৱে অৰিহণা যোগাব বুলি মত প্ৰকাশ কৰে।

ইয়াৰ পাছত তেওঁ চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শিক্ষানুষ্ঠান আৰু কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ আঁচনি পৰিদৰ্শন কৰে। ভ্ৰমণসূচী সামৰি মন্ত্ৰীগৰাকী দিল্লীলৈ উভতিব।

০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি পঞ্চমদিনা কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪, পৰিবহন মন্ত্ৰী কেশৱ মহন্তই দি আছাম মটৰ ভেহিক'ল টেক্সেছন এমেণ্ডমেণ্ট বিল-২০২৪, ৰাজহ মন্ত্ৰী যোগেন মহনে দি আছাম ফিক্সেছন অৱ ছিলিং অন লেণ্ড হল্ডিংছ এমেণ্ডমেণ্ট বিল-২০২৪, দি আছাম এগ্ৰিকালছাৰেল লেণ্ড (ৰেগুলেছন অৱ ৰি ক্লাছিফিকেছন এণ্ড ট্ৰান্সফাৰ ফৰ নন এগ্ৰিকালছাৰেল পাৰপাছ) এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰে। আজি বিধানসভাত জুম্মা নামাজ বিৰতি ৰদ কৰাৰ বিষয়েও সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সম্পৰ্কত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে বিধানসভাৰ উৎপাদনশীলতা বৃদ্ধিৰ লক্ষ্যৰে ঔপনিবেশিক সময়ৰ অৱশিষ্ট উপাদান দুঘণ্টাৰ সদন স্থগিতকৰণৰ ব্যৱস্থাটো আঁতৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ইফালে, আজি বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ৰাজ্যত ২০২০ চনৰ পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰি কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনত ২০২০ৰ পৰা বৰ্তমানলৈকে মুঠ ৭৮৪জন লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যত বিগত সময়ছোৱাত বানৰ ক্ষয়-ক্ষতিৰো তথ্য দাঙি ধৰে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আৰোহণ আঁচনিৰ অধীনত আজি মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা অভিযানৰ সহযোগত আজি জিলাখনৰ নৱম শ্ৰেণীত পঢ়ি থকা মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এটা অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানটো মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধন কৰে। শ্ৰী শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক মানসিকতাৰে অধ্যয়নত ৰত হ'বলৈ আহ্বান জনায়। বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয়সমূহৰ অধ্যক্ষসকলো উপস্থিত থাকে।

০০০০০০০

নুমলীগড় তেল শোধনাগাৰ লিমিটেডৰ ৩১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন আজি প্ৰতিষ্ঠানটোৰ গুৱাহাটীত থকা কৰ্প'ৰেট কাৰ্যালয়ত অনুষ্ঠিত হয়। এন আৰ এল আৰু চি এম ডি অইলৰ অধ্যক্ষ ড০ আৰ ৰাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত

শোধনাগাৰৰ পৰিচালন সঞ্চালক বি জে ফুকন আৰু শোধনাগাৰ পৰিষদৰ অন্যান্য সদস্য আৰু অংশীদাৰীসকল উপস্থিত থাকে। সভাত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে প্ৰতিষ্ঠানটোৰ প্ৰায় ২৫৯ কোটি টকাৰ চূড়ান্ত লভ্যাংশ ঘোষণা কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে বিত্তীয় বৰ্ষটোত ৪৫২ কোটি টকাৰ অন্তৰ্বৰ্তীকালীন লভ্যাংশ প্ৰদান কৰিছে। তেল শোধনাগাৰটোৰ বাৰ্ষিক সাধাৰণ সভাখনত ২০২৩-২৪ চনৰ বিত্তীয় বৰ্ষত প্ৰতিষ্ঠানটোৱে খাৰুৱা তেলৰ প্ৰক্ৰিয়াকৰণত অভিলেখসংখ্যক দক্ষতা দেখুৱাইছে বুলিও অৱগত কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে চলিত বছৰৰ এতিয়ালৈকে সৰ্বাধিক স্বতন্ত্ৰ মূলধনী ব্যয় ৮ হাজাৰ ৫০২ কোটি টকালৈ বৃদ্ধি কৰিছে। এই  বৃদ্ধি বিগত বৰ্ষৰ তুলনাত ২৪ শতাংশ বেছি। ইয়াৰ ফলত দীৰ্ঘম্যাদী বৃদ্ধি আৰু বহন ক্ষমতা সুনিশ্চিত হোৱাৰ লগতে সৰু-ডাঙৰ প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত অগ্ৰগতি নিশ্চিত হৈছে।

০০০০০০

বজালী জিলা যুৱ-সাংবাদিক সন্থাৰ উদ্যোগত আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ সহযোগত বিশ্ববিদ্যালয়খনৰ সভাগৃহত তিনিদিনীয়াকৈ 'সংবাদ সান্নিধ্য' শীৰ্ষক সাংবাদিকতা কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাৰ সামৰণিৰ দিনটোত আজি বিশ্ববিদ্যালয়খনৰ অতিথি অধ্যাপক ড০ জয়জিৎ ডেকাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰাৰ বিপৰীতে গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগৰ বাৰ্তা সম্পাদক শান্তনু ৰৌমূৰীয়াই প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে। ২৮ তাৰিখে আৰম্ভ হোৱা কৰ্মশালাখনত সাংবাদিক পৰাগ দাসৰ স্মৃতিত বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ লগতে বিশিষ্ট সাংবাদিক তথা সাহিত্যিক যতীন চৌধুৰী আৰু অতনু ভট্টাচাৰ্যই কৰ্মশালাত অংশগ্ৰহণ কৰা যুৱ সাংবাদিকসকলক সংবাদ জগতত পেছাদাৰীভাৱে আগবাঢ়োতে সন্মুখীন হ'ব পৰা বিভিন্ন সমস্যা আৰু সম্ভাৱনাসমূহৰ বিষয়ে অৱগত কৰে। কাইলৈ কৰ্মশালাখনৰ লগত সংগতি ৰাখি আয়োজন কৰা মুকলি সভাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা উপস্থিত থকাৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। সভাত সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা তিনিগৰাকী বিশেষ ব্যক্তিক বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

প'বা সংৰক্ষিত বনাঞ্চলত অতি সোনকালে বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা হ'ব। পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাত শূণ্যকালত বিধায়ক ভূৱন পেগুৱে উত্থাপন কৰা এখন জাননীৰ প্ৰতি সঁহাৰি জনাই এই বিষয়ে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীয়ে সদায় ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ তথা স্থায়ী বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। এই দিশত ই এটা অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি শ্ৰীপাটোৱাৰীয়ে উল্লেখ কৰে। নতুন প'বা বন্যপ্ৰাণী অভয়াৰণ্যই প'বা সংৰক্ষিত বনাঞ্চল, প্ৰস্তাৱিত কাবুচাপৰি সংৰক্ষিত বনাঞ্চল আৰু কাষৰীয়া নৈপৰীয়া অঞ্চলকে ধৰি ২৫৭ দশমিক ২-৯ বৰ্গকিলোমিটাৰ এলেকা সামৰি ল'ব। উল্লেখযোগ্য যে অসমৰ উত্তৰ-পূব অংশত থকা প'বা সংৰক্ষিত বনাঞ্চল হৈছে বন্য জীৱ-জন্তুৰে সমৃদ্ধ আৰু জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ এখন বৰ্ষাৰণ্য। এই বনাঞ্চলৰ মাজেৰে হাতীকে ধৰি বিভিন্ন জীৱ-জন্তুৱে কাবুচাপৰি, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু ডি-এৰিং স্মাৰক বন্যপ্ৰাণী অভয়াৰণ্যলৈ অহা-যোৱা কৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা দক্ষিণ পাৰলৈ হাতীৰ আহ-যাহৰ ই দ্বিতীয়টো প্ৰধান কৰিডʼৰ। ইপিনে, এই বনাঞ্চল লেহেমিয়া গতিৰ লৰিছ আৰু টুপী পিন্ধা বান্দৰকে ধৰি গছত থকা ভালেমান প্ৰজাতি, বনৰীয়া গাহৰি, ৪৫টা প্ৰজাতিৰ চৰাই তথা সৰীসৃপ আৰু চিয়াং আৰু লোহিত

নদীত থকা বিভিন্ন প্ৰজাতিৰ মাছৰ বাবে জনাজাত। বনাঞ্চলখনক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা পদক্ষেপ অসমৰ প্ৰাকৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্ৰত এক অবিৰত প্ৰয়াস হিচাপে চিহ্নিত হ'ব।

০০০০০০

খাদ্য, গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ নেতৃত্বত বিভাগে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ২০১১ চনৰ লোকপিয়ল অনুযায়ী ২ কোটি ৫২ লাখ ১৮ হাজাৰ দুজন ব্যক্তিক হিতাধিকাৰীৰ অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিপৰীতে ইতিমধ্যে ২ কোটি ৩১ লাখ ৯৭ হাজাৰ ৬০৮ গৰাকী হিতাধিকাৰী অন্তৰ্ভুক্তি সম্পন্ন হৈছে। আনহাতে, ২০ লাখ ২০ হাজাৰ ৩৯৪ জন লোকক সামৰি লোৱাৰ ব্যৱস্থা অব্যাহত আছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত মুঠ ৬৬ লাখ ৮৬ হাজাৰ ৮৪৫ খন ৰেচন কাৰ্ড প্ৰদান কৰি সেই অনুসাৰে চাউল আবণ্টন দিয়া হৈছে বুলিও বিভাগীয় সূত্ৰত প্ৰকাশ কৰা হৈছে।

০০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া ড০ টি ভি সোমনাথনে আজি মন্ত্ৰীসভাৰ নতুন সচিব হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ড০ সোমনাথন ৰাজীৱ গৌবাৰ স্থলাভিষিক্ত হৈছে। ১৯৮৭ চনৰ তামিলনাডু কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া সোমনাথনে প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ যুটীয়া সচিব আৰু অতিৰিক্ত সচিবৰ দায়িত্বৰ লগতে কেন্দ্ৰৰ অন্যান্য গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছে। মন্ত্ৰীসভাৰ সচিব হিচাপে দায়িত্ব গ্ৰহণৰ পূৰ্বে তেওঁ বিত্ত সচিব আৰু ব্যয় দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে চলচ্চিত্ৰত সাৰ্বজনীন অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লক্ষ্যৰে নিৰ্দেশাৱলী গ্ৰহণ কৰিছে। চলচ্চিত্ৰত বিশেষকৈ শ্ৰৱণ আৰু দৃষ্টিশক্তি বাধাগ্ৰস্ত লোকৰ অংশগ্ৰহণ নিশ্চিত কৰাটোৱেই ইয়াৰ মূল উদ্দেশ্য। ইয়াৰ পৰিপ্ৰেক্ষিতত চলচ্চিত্ৰ একোখনত শ্ৰৱণ বাধাগ্ৰস্তসকলৰ বাবে সাংকেতিক ভাষা আৰু দৃষ্টি বাধাগ্ৰস্তসকলৰ বাবে ধাৰা বিৱৰণীৰ ব্যৱস্থা কৰিব লাগিব। দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ সভাগৃহত এই সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। গুৱাহাটীৰ কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণ-পত্ৰ বোৰ্ডৰ আঞ্চলিক বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে এই বিষয় সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। সাৰ্বজনীন অংশগ্ৰহণ সহজ কৰি তোলাৰ উদ্দেশ্যে তেওঁ চলচ্চিত্ৰ উদ্যোগক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। এই কৰ্মশালাত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা, ভিডিঅ' সম্পাদক, শব্দ অভিযন্তা, চলচ্চিত্ৰ প্ৰদৰ্শকৰ লগতে চলচ্চিত্ৰ অনুৰাগীসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত মুম্বাইৰ পৰা এক্সেল চিনেমাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীমতী দিপ্তী প্ৰসাদেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। উত্তৰ পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০০০

পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত গ্ৰহণ কৰা আঁচনিসমূহ অনুমোদিত পৰিকল্পনা আৰু অনুমান অনুসৰি ৰূপায়ণ কৰাটো নিশ্চিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে আয়োগৰ অধীনৰ সকলো আঁচনি সংশ্লিষ্ট জিলা আয়ুক্তসকলৰ জৰিয়তে পৰীক্ষা কৰা হ'ব। পৰীক্ষণৰ অন্তত জিলা আয়ুক্তই বিশদ প্ৰতিবেদন অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিবলৈ প্ৰেৰণ কৰিব লাগিব। এই আদেশ তাৎক্ষণিকভাৱে বলবৎ কৰাৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ এটা দলে আজি যোৰহাট জিলাত নিৰীক্ষণ ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰে। ভ্ৰমণৰ সময়ত দলটোৱে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনৰ নৱজাতকৰ যত্ন কেন্দ্ৰ, শিশু যত্ন কেন্দ্ৰ, শিশু বিভাগ আৰু স্ত্ৰী ৰোগ বিভাগকে ধৰি তাৎপৰ্যপূৰ্ণ স্বাস্থ্য সেৱাৰ সুবিধাসমূহ পৰিদৰ্শন কৰে। ইয়াৰ লগতে দলটোৱে ল'ৰাৰ কাৰণে নিৰ্দিষ্ট শিশু পৰ্যবেক্ষণ গৃহ 'স্বৰাজ'-ও পৰিদৰ্শন কৰে। দলটোৱে যোৰহাট চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰৰ সৈতে আলোচনাত মিলিত হৈ চিকিৎসালয়খনৰ শিশু সম্পৰ্কীয় স্বাস্থ্য সেৱাৰ বিষয়ে বুজ লয়। ইয়াৰ পাছত শিশু অধিকাৰ সুৰক্ষা আয়োগৰ দলটোৱে আৱৰ্ত ভৱনৰ প্ৰেক্ষাগৃহত যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণ, জিলা সমাজ কল্যাণ বিভাগ, কিশোৰ ন্যায় ব'ৰ্ড আৰু শিশু কল্যাণ সমিতিৰ দৰে বিভিন্ন অংশীদাৰী ব্যৱস্থাসমূহৰ সৈতে বৈঠকত ভাগ লয়।

০০০০০০

পেৰিছ পেৰালিম্পিকৰ আজি দ্বিতীয় দিনা ভাৰতে এটা সোণ আৰু দুটা ব্ৰঞ্জৰ পদকেৰে তিনিটা পদক লাভ কৰি পদক তালিকাত নাম অন্তৰ্ভুক্ত কৰিছে। টকিঅ' পেৰালিম্পিকত সোণৰ পদক লাভ কৰা অৱনি লেখাৰাই পেৰিছতো এছ্ এইচ ৱান শাখাৰ ১০ মিটাৰ এয়াৰ ৰাইফল প্ৰতিযোগিতাত ২৪৯ দশমিক ৭ পইণ্টেৰে অভিলেখ গঢ়ি পুনৰ সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ বিপৰীতে একেটা শাখাতে মনা আগৰৱালে ২২৮ দশমিক ৭ পইণ্টেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইফালে, ১০০ মিটাৰ স্প্ৰীণ্টৰ মহিলাৰ শাখাত প্ৰীতি পালে ১৪ দশমিক ২ - ১ ছেকেণ্ডৰ সৰ্বোচ্চ ব্যক্তিগত অভিলেখেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

পুৰুষৰ খেলত শ্যুটাৰ মণীষ নাৰৱালে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ২৩৪ দশমিক ৯ পইণ্টেৰে দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। বেডমিণ্টন খেলুৱৈ সুহাষ এথিৰাজে দক্ষিণ কোৰিয়াৰ প্ৰতিপক্ষক হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

**সমাপ্ত**